**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2024
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ইটালীৰ সৈতে কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰি তোলাৰ প্ৰতি দায়বদ্ধ বুলি জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে ইটালীলৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীৰ মন্তব্য।

২। তৃতীয়বাৰৰ বাবে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৰ শপতগ্ৰহণ।

৩। NEET UG প্ৰৱেশ পৰীক্ষাত গ্ৰেছ নম্বৰ লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীক অহা ২৩ জুনত পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ দিয়া হ'ব বুলি উচ্চতম ন্যায়ালয়ত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশ।

৪। দৈনন্দিন জীৱন শৈলী সুস্থ কৰি তোলাৰ লক্ষ্যৰে দেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত।

৫। তৃতীয়বাৰৰ কাৰ্যকালৰ বাবে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা হিচাপে ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া অজিত দোভালৰ নিযুক্তি।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংলাদেশ নেডাৰলেণ্ডছৰ মুখামুখি।

ooooooo

ভাৰতে ইটালীৰ সৈতে কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰি তোলাৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় আৰু ভূমধ্য সাগৰীয় অঞ্চলত সহযোগিতা বৃদ্ধিৰ প্ৰতি দায়বদ্ধ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মন্তব্য কৰিছে। কাইলৈ হবলগীয়া জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে আজি ইটালীলৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে এটা বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে তৃতীয়টো শাসন কালত প্ৰথম বাৰৰ বাবে তেওঁ ইটালীলৈ ৰাওনা হ'ব। আনহাতে, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ যোৱা বছৰত দুবাৰকৈ ভাৰত ভ্ৰমণে দেশখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন দিশৰ সূচনা কৰিছে বুলি তেওঁ কয়। জি-৭ আউটৰীচ শীৰ্ষ সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় দেশৰ প্ৰসঙ্গই অগ্ৰাধিকাৰ লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে।

ইপিনে, বিদেশ সচিব বিনয় কোৱাট্ৰাই কালি বিয়লি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয় যে ভাৰতক আউটৰীচ ৰাষ্ট্ৰ হিচাপে এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱা হৈছে। শ্ৰীকোৱাট্ৰাই কয় যে, প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত আৰু গ্লোৱেল চাউথৰূপে পৰিচিত ৰাষ্ট্ৰৰ সমূহৰ বাবে গুৰুত্বপূৰ্ণ বিভিন্ন বিষয় লৈ সন্মিলনত বিশ্ব নেতাসকলৰ সৈতে আলোচনাত সুযোগ প্ৰদান কৰিব। ভাৰতে জি-ছেভেন শীৰ্ষ সন্মিলনত এইবাৰকে ধৰি একাদশ বাৰ অংশগ্ৰহণ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবেলি একেৰাহে পঞ্চম বাৰৰ বাবে সন্মিলনত অংশ লব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ আউটৰীচ সত্ৰত ভাগ ল'ব।

ooooooooo

অৰুণাচলৰ মুখ্য মন্ত্ৰী হিচাপে আজি পেমা খান্দুৱে শপত গ্ৰহণ কৰে। তেওঁৰ মন্ত্ৰী সভাত ১১ জন বিধায়কক অন্তৰ্ভুক্ত কৰা হৈছে। তৃতীয়বাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত খান্দুক ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট কে টি পাৰনায়কে শপত বাক্য পাঠ কৰোৱায়। তেওঁৰ লগতে উপ মুখ্যমন্ত্ৰী ছোনা মেইনসহ ১১ গৰাকী বিধায়কে শপত গ্ৰহণ কৰে। শপত গ্ৰহণৰ পাছত সংবাদ মাধ্যমক সম্বোধি খান্দুৱে কয় যে ৰাজ্যৰ জনসাধাৰণে বিজেপিক আস্থাত লৈ নিৰ্বাচিত কৰিছে। এই আস্থা অটুট ৰাখি ৰাজ্যখনৰ উন্নয়নৰ হকে কাম কৰিবলৈ চৰকাৰখন বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্যমন্ত্ৰী

জে পি নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৰ উপৰি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, উত্তৰ-পূৰ্বৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীকে ধৰি বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

০০০০০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰবেশ পৰীক্ষা অৰ্থাৎ NEET UGত গ্ৰেছ নম্বৰ লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীক অহা ২৩ জুনত পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিকল্প দিয়া হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ক অৱগত কৰিছে। চৰকাৰে সৰ্বোচ্চ ন্যায়ালয়ক জনোৱা অনুসৰি গ্ৰেছ নম্বৰ লাভ কৰা এই পৰীক্ষাৰ্থীসকলৰ ফলাফল পুনৰ বিবেচনা কৰাৰ বাবে এখন সমিতি গঠন কৰা হৈছে। অহা ৩০ জুনৰ পূৰ্বে এই ফলাফলসমূহ ঘোষণা কৰা হ'ব। এন টি এ অৰ্থাৎ ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাৰ বিৰুদ্ধে ইয়াৰ পূৰ্বে দাখিল কৰা এখন আবেদনত প্ৰশ্নকাকত ফাদিলৰ লগতে অন্যান্য বিভিন্ন খেলিমেলিৰ মাজত যোৱা ৫ মে'ত এই প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা উল্লেখ কৰা হৈছিল। প্ৰশ্নকাকত ফাদিলৰ এই ঘটনাই সংবিধানৰ ১৪ নম্বৰ অনুচ্ছেদৰ সমানতাৰ অধিকাৰক উলংঘা  কৰা বুলি এই আবেদনত উল্লেখ কৰা হৈছে।

ইপিনে, কেন্দ্ৰীয় চৰকাৰে আজি নীটৰ পৰীক্ষাত কোনোধৰণৰ দুৰ্নীতি সংঘটিত হোৱা নাই বুলি প্ৰকাশ কৰিছে। শিক্ষা দপ্তৰৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ধৰ্মেন্দ্ৰ প্ৰধানে আজি কয় যে বিষয়টো উচ্চতম ন্যায়ালয়ত  দাখিল কৰা হৈছে আৰু এই বিষয়ে চৰকাৰে ন্যায়ালয়ক উত্তৰ দিব। তেওঁ লগতে কয় যে এই ঘটনা সন্দৰ্ভত পৰ্যালোচনাৰ বাবে শিক্ষাবিদসকলৰ তত্বাৱধানত এখন সমিতি ইতিমধ্যে গঠন কৰা হৈছে।

০০০০০০০০০

দৈনন্দিন জীৱনশৈলী সুস্থ আৰু সুন্দৰ কৰি তোলাৰ বাবে যোগাভ্যাসৰ গুৰুত্ব সমগ্ৰ বিশ্বৰ জনসাধাৰণে উপলব্ধি কৰিছে। ২০১৪ চনত ৰাষ্ট্ৰসংঘত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণত এই বিষয়ে উত্থাপন কৰাৰ পাছতেই ২০১৫ চনৰ ২১ জুনৰ পৰা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱ মৰ্মে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন আৰম্ভ কৰা হয়। বিশ্বৰ বিভিন্ন দেশে যোগৰ উপকাৰিতাক মান্যতা দিয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় স্তৰত যোগৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ হিমাদ্ৰী নাথ কটকীয়ে এইদৰে কয়-

-ভইচ কাষ্ট-

ইফালে দেশৰ অন্যান্য ঠাইৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। কৰিমগঞ্জ জিলাত এই দিৱস উদযাপনৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এখন সভা অনুষ্ঠিত হয়। এই সভাত যোগ দিৱস উদযাপনৰ বিভিন্ন দিশ সম্পৰ্কে পৰ্যালোচনা কৰা হয়।

মৰিগাঁও জিলাত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ অংশ হিচাপে পৰহিলৈ মৰিগাঁও নগৰৰ পবিতৰা হাট প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা এলানি যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চাৰিটা শাখাত হ'বলগীয়া প্ৰতিযোগিতাৰ বিজয়ীসকলক ২১ জুনত যোগ দিৱসৰ জিলা পৰ্যায়ৰ কাৰ্যসূচীত পুৰস্কৃত কৰা হ'ব। প্ৰথম শাখাত ১০ বছৰ পৰ্যন্ত, দ্বিতীয় শাখাত ১০ৰ পৰা ১৮ বছৰ, তৃতীয় শাখাত ১৮ৰ পৰা ৩৫ আৰু চতুৰ্থ শাখাত ৩৫ বছৰৰ উৰ্দ্ধৰ সকলে অংশ ল'ব পাৰিব।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিৰক্ষা ৰপ্তানি অহা ৫ বছৰত ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী সিঙে কয় যে ভাৰতে ইতিমধ্যে ২১ হাজাৰ কোটি টকাতকৈও অধিক মূল্যৰ প্ৰতিৰক্ষা সা-সামগ্ৰী ৰপ্তানি কৰিছে। ইয়াক এক অভিলেখ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ লগতে দেশৰ সুৰক্ষা তথা নিৰাপত্তা বাহিনীসমূহৰ কল্যাণ সাধনেই হৈছে কেন্দ্ৰীয় চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়বস্তু।

০০০০০০০০০

অসম আৰক্ষীয়ে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। মৰিগাঁও জিলাৰ কেইবাটাও স্থানত অভিযান চলাই আৰক্ষীয়ে চাইবাৰ অপৰাধৰ সৈতে জড়িত ১২ জন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে মায়ং, লাহৰিঘাট, ভুৰাগাঁও, বৰচলা আৰু মৈৰাবাৰীত অভিযান চলাই বিভিন্ন বেংকৰ পাছবুক, চেকবুক, পানকাৰ্ড, আধাৰকাৰ্ড, মোবাইল ফোন, লেপটপসহ বহু

গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰে। মৰিগাঁও অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই সংবাদমেল সম্বোধন কৰি এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰে। জিলাখনৰ মায়ং থানাৰ এলেকাৰ পৰা আৰক্ষীয়ে প্ৰথমবাৰৰ বাবে দুজন চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জিলাখনত বৰ্তমান সময়লৈ প্ৰায় ২০০ৰো অধিক চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০০০

কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে অহা ২২ জুনৰ পৰা ২৬ জুনলৈ কোনো ধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী প্ৰাদেশিকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সালসলনি কৰিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। অম্বুবাচী মেলালৈ লাখ লাখ ভক্তৰ সমাগমৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় কেবিনেটৰ নিযুক্তি সমিতিয়ে ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া অজিত দোভালক যোৱা ১০ জুনৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা হিচাপে নিযুক্তিত অনুমোদন জনাইছে। বৰ্তমানৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যকালৰ সামৰণিলৈ বা পৰৱৰ্ত্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত তেওঁৰ কাৰ্যকাল অব্যাহত থাকিব। ইপিনে, নিযুক্তি সমিতিয়ে আজি ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ড০ পি কে মিশ্ৰক ১০ জুনৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব হিচাপে নিযুক্তি দিছে। শ্ৰীদোভাল আৰু ড০ মিশ্ৰই কাৰ্যকালৰ সময়ছোৱাত কেবিনেট পৰ্যায়ৰ মন্ত্ৰীৰ মৰ্যাদা লাভ কৰিব।

ইফালে, অমিত খাৰে আৰু তৰুণ কাপুৰক প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ উপদেষ্টা হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁলোকৰ নিযুক্তি যোৱা ১০ জুনৰ পৰা কাৰ্যকৰী হ'ব।

০০০০০০০০০

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি ডিব্ৰুগড়ত অব্যাহত থকা ব্ৰহ্মপুত্ৰ নৈৰ খহনীয়াৰ বুজ লয়। তেওঁ বিশেষকৈ মোহনাঘাট, মাটিকটা, আইথান আৰু বগীবিলৰ কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। খৰালী অহাৰ পূৰ্বেই খহনীয়া অব্যাহত হৈ থকা অঞ্চলসমূহত কেইবাখনো চৰকাৰী আঁচনি ৰূপায়ণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি অসম-অৰুণাচল সীমান্তৱৰ্তী গেৰমে নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে ধেমাজি, জোনাই ভূমি সংৰক্ষণ সংমণ্ডলৰ অধীনত উত্তৰ নলবাৰী অঞ্চলত ৰূপায়িত হৈ থকা খহনীয়া প্ৰতিৰোধী আঁচনিৰ কাম পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়নৰ পুঁজিৰ ৯৫ লাখ ব্যয় সাপেক্ষে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে।

০০০০০০০০০

মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই আজি জিলা কাৰাগাৰ পৰিদৰ্শন কৰি তাত থকা কয়দীসকলৰ অৱস্থাৰ বুজ লয়। তেওঁ কয়দীসকলৰ পৰা তেওঁলোকৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে মত বিনিময় কৰে। তেওঁ বিশেষভাৱে জিলা কাৰাগাৰৰ আন্তঃগাঁথনি কয়দীসকলৰ থকা-খোৱাৰ ব্যৱস্থা শৌচাগাৰ আদি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে কাৰাগাৰৰ ভিতৰত থকা চিকিৎসালয়খনত চিকিৎসাধীন হৈ থকা ৰোগীসকলৰো স্বাস্থ্যৰ বুজ লয়।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিয়ে বৰপেটা জিলাত ভাৰত চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ কাম-কাজ পৰিদৰ্শনৰ কাৰ্যসূচী অব্যাহত ৰাখিছে। কৃষি মন্ত্ৰালয়ৰ উপ-সচিব মণিসুন্দৰ বেনাৰ্জীয়ে আজি দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ প্ৰধানমন্ত্ৰী পোষণ আঁচনিখনৰ ৰূপায়ণ সম্পৰ্কে বুজ লয়। তেওঁ শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলক মধ্যাহ্ন ভোজন পৰিৱেশনৰ ব্যৱস্থা, যোগান ধৰা খাদ্যৰ গুণগত মান আদি পৰ্যবেক্ষণ কৰে। ইয়াৰ লগতে তেওঁ শিক্ষানুষ্ঠানখনত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ডিজিটেল পুথিভঁৰালটো পৰিদৰ্শন কৰে। উপ-সচিবগৰাকীয়ে শিক্ষানুষ্ঠানখনত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ একাংশ হিতাধিকাৰীৰ সৈতেও মত বিনিময় কৰে।

০০০০০০০০০

দৰং আৰক্ষীয়ে দলগাঁও থানাৰ অন্তৰ্গত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া থলথলী গাঁৱৰ ঈদগাহ ফিল্ডৰ কাষত অভিযান চলাই মাৰণাস্ত্ৰসহ এটা চোৰাং চিকাৰীক আটক কৰে। ধৃত চোৰাং চিকাৰীটো মহিদুল ইছলাম বুলি জানিব পৰা গৈছে।

আনহাতে গুৱাহাটী মহানগৰীৰ গড়চুকত অসম আৰক্ষীৰ বিশেষ টাস্ক ফৰ্চে অভিযান চলাই নিচাযুক্ত সামগ্ৰীসহ সূৰজ মাহাটো নামৰ এজন লোকক কৰায়ত্ব কৰে। অভিযুক্ত লোকজনক জেৰাৰ অন্তত অভিযানকাৰী দলে অজিত ৰাভা আৰু চান্দ মহম্মদ আলী নামৰ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়।

০০০০০০০০০

চৰাইদেউ জিলাত কৃষি বিভাগৰ উদ্যোগত গাঁও পঞ্চায়তসমূহত মাহজোৰা কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ পৰিপূৰ্ণতা অভিযান কাৰ্যসূচীৰ শিবিৰ চলি আছে। যিসকল কৃষকে পি এম কিষাণ প'ৰ্টেলত ই কে ৱাই চি সম্পন্ন কৰা নাই বা বেংক একাউণ্টৰ লগত আধাৰ সংলগ্ন কৰা নাই, তেওঁলোকক ডাকঘৰৰ ইণ্ডিয়ান পোষ্ট পেইমেণ্ট বেংকত একাউণ্ট খুলিবলৈ বিভাগৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে। লগতে যিসকল কৃষকে পি এম কিষাণ প'ৰ্টেলত আধাৰ সংযুক্ত কৰা নাই তেওঁলোকক গ্ৰাহক সেৱা কেন্দ্ৰৰ জৰিয়তে সংযুক্ত কৰিবলৈ আহ্বান জনোৱা হৈছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৮ জুনত বাৰাণসীত পি এম কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তি মুকলি কৰিব। এই কিস্তিৰ দ্বাৰা ৯ কোটি ৩০ লাখ কৃষকক প্ৰায় ২০ হাজাৰ কোটি টকা বিতৰণ কৰা হ'ব। এই আঁচনিৰ দ্বাৰা ৰাজ্যৰ ১৭ লাখ ৫০ হাজাৰ কৃষকে মুঠ ৩৫০ কোটি টকা বেংক একাউণ্টযোগে লাভ কৰিব। দেশৰ সকলো কৃষকক সহায় আগবঢ়োৱাৰ লক্ষ্যৰে ২০১৯ চনত পি এম কিষাণ আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে যোগ্য কৃষকক ছহেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই ধনৰাশি ২ হাজাৰকৈ তিনিটা কিস্তিত হিতাধিকাৰীসকলক বেংক একাউণ্টযোগে প্ৰদান কৰা হয়। আঁচনিখনৰ জৰিয়তে বৰ্তমানলৈকে ১১ কোটি কৃষক পৰিয়াল উপকৃত হৈছে।

০০০০০০০০০

চিৰাং জিলাৰ কাজল গাঁৱৰ ভাৰতীয় ষ্টেট বেংকৰ অধীনত গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত চলি থকা চিলাই প্ৰশিক্ষণ শিবিৰত আজি চিৰাং জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰবন্ধক বিক্ৰম কলিতা উপস্থিত হয়। যোৱা ৬ জুনৰ পৰা আৰম্ভ হোৱা এমহীয়া চিলাই প্ৰশিক্ষণ পৰিদৰ্শন কৰি প্ৰবন্ধক কলিতাই প্ৰশিক্ষাৰ্থীসকলে কিদৰে সুবিধা লাভ কৰিব আৰু ভৱিষ্যতে কিদৰে ব্যৱসায় ভিত্তিত কাম আৰম্ভ কৰিব সেই বিষয়ে আলোচনা কৰে। এই প্ৰশিক্ষণত চিৰাঙৰ ৩৫ গৰাকী মহিলাই অংশগ্ৰহণ কৰিছে।

০০০০০০০০০

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্তৰ সভাপতিত্বত জিলা উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন হয়। সভাত জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ বিষয়ে আলোচনা কৰা হয়। জলসম্পদ, বন, লোকনিৰ্মাণ, আভ্যন্তৰীণ জল পৰিবহণ, পৰিবহণ, খাদ্য আৰু অসামৰিক যোগান বিভাগ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, জনস্বাস্থ্য কাৰিকৰী, শিক্ষা, কৃষি, পশুপালন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জলসিঞ্চন, আবকাৰী, সমাজ কল্যাণ, সমবায়, নগৰ পানীযোগান, দুগ্ধ উন্নয়ন আদি বিভিন্ন বিভাগৰ কাম-কাজৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে বিভাগীয় বিষয়াসকলৰ সৈতে আলোচনা কৰে। এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে জিলাখনত ৰূপায়ণ হোৱা বিভিন্ন আঁচনিৰ কাম-কাজসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। আনহাতে **মৰমৰ যোৰহাট**ৰ অধীনত জিলাখনৰ সকলো বিভাগকে সমন্বয়ৰে সৰ্বাংগীণ বিকাশৰ বাবে কাম কৰি যাবলৈও জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা চাৰে ৮ বজাত 'চলন্তিকা' অনুষ্ঠানত 'মানসিক স্বাস্থ্যৰ বাবে যোগ' শীৰ্ষক কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোত অতিথি হিচাপে যোগ বিশেষজ্ঞ প্ৰণৱ কুমাৰ নাথ উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব ডলী দেৱীয়ে।

০০০০০০০০০

অসম আন্দোলনৰ অন্যতম নেত্ৰী, সমাজকৰ্মী নগাঁও চহৰৰ আমোলাপট্টি নিবাসী গায়ত্ৰী গায়নৰ আজি নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। নেত্ৰীগৰাকীৰ মৃত্যুত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মাকে ধৰি বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ৱেষ্ট ইণ্ডিজৰ কিংষ্টনত হ'বলগীয়া এখন খেলত বাংলাদেশ নেডাৰলেণ্ডছৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

আজি পুৱা ত্ৰিনিদাদৰ ব্ৰিয়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৱেষ্ট ইণ্ডিজে নিউজিলেণ্ডক ১৩ ৰানত পৰাস্ত কৰে। এই জয়ৰ লগে লগে ৱেষ্ট ইণ্ডিজে ছুপাৰ এইট পৰ্যায়ৰ খেলৰ বাবে যোগ্যতা অৰ্জন কৰে।

ইপিনে, নিউয়ৰ্কৰ নাছাউ কাণ্টিত যোৱা নিশা অনুষ্ঠিত এখন খেলত ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰক ৭ উইকেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে।

ooooooooo

**সমাপ্ত**